# ৰোমাণ্টিকতাবাদ বা ৰমন্যাসবাদ

'ৰোমাণ্টিক' শব্দটো অসমীয়া ভাষালৈ সোমাই আহিছে ঊনবিংশ শতিকাৰ শেহৰ ফালেহে। তেতিয়াৰে পৰা এই শব্দটোৰ অসমীয়া পৰিভাষা স্বৰূপে 'নৱন্যাস' শব্দটো ব্যৱহৃত হৈ আহিছিল। কবি-সমালোচক ডঃ মহেন্দ্ৰ বৰাই ১৯৭৬ চনত 'ৰোমাণ্টিক' শব্দটোৰ অসমীয়া পৰিভাষা স্বৰূপে 'ৰমন্যাস' এই শব্দটো তেওঁৰ 'ৰমন্যাসবাদ' নামৰ গ্ৰন্থখনিত ব্যৱহাৰ কৰে। ৰোমাণ্টিক শব্দটোৰ লগত থকা ধ্বনিগত মিল থকা আৰু ৰমণীয়াৰ্থ প্ৰতিদানৰ ইংগিত-সূচক শব্দটো তেতিয়াৰ পৰা অসমীয়াত ব্যৱহৃত হ'বলৈ ধৰে। কিন্তু, 'ৰোমাণ্টিক' শব্দটোৰ আতি-গুৰি নাজানিলে ৰমন্যাসিক বা ৰমন্যাসবাদৰ অৰ্থ পোৱা টান। কাৰণ, ৰোমাণ্টিক শব্দটোৰ পিছফালে ইউৰোপত অষ্টাদশ শতিকাৰ শেহত জন্ম লাভ কৰি ঊনবিংশ শতিকাৰ প্ৰথমৰ চাৰিটা দশকত বিকাশ আৰু বিস্তাৰ লাভ কৰা এই বিশিষ্ট সাহিত্য-কৃতিৰ গুণ আৰু লক্ষণসমূহৰ ইতিহাস জড়িত হৈ আছে। তদুপৰি, ৰোমাণ্টিক শব্দটোৰ অৰ্থ-পৰিৱৰ্তনৰ ইতিহাসো ইয়াৰ মাজত নিহিত হৈ আছে।

ইংৰাজী সাহিত্যৰ ইতিহাসক বহল অৰ্থত আঠোটা যুগত বিভক্ত কৰা হৈছে। যুগ কেইটা হ'ল এংলো-ছেক্সন আৰু এংলো নৰ্মান, ছচাৰোত্তৰ, এলিজাবেথীয়, সপ্তদশ শতিকা, অষ্টাদশ শতিকা, ৰোমাণ্টিক, ভিক্টোৰীয়া আৰু আধুনিক যুগ।

ছচাৰোত্তৰ যুগটো ইংলেণ্ডত আছিল অৱসাদৰ যুগ। এই যুগতে ইটালী আৰু ফ্ৰান্সত নৱজাগৰণৰ উন্মেষ ঘটে। এই ঢৌৱে আহি ইংলেণ্ডক স্পৰ্শ কৰিলেহি এলিজাবেথীয় যুগৰ প্ৰথমাৰ্ধ (১৫৫০-১৫৯০)ত। এলিজাবেথীয় যুগৰ দ্বিতীয়াৰ্ধ (১৫৯০-১৬২৬) হ'ল শ্বে'ক্সপীয়েৰৰ যুগ। এই যুগতে ইংৰাজী সাহিত্যত যি নৱজাগৰণ ঘটিল, সি অভূতপূৰ্ব। এই যুগটোকহে 'ৰোমাণ্টিক যুগ' বুলি কোৱা হৈছিল। অষ্টাদশ শতিকাৰ শেহৰ পৰা ঊনবিংশ শতিকাৰ আগভাগলৈকে যিছোৱা সময়ৰ সাহিত্যক আমি আজি 'ৰোমাণ্টিক যুগৰ সাহিত্য' বুলি কৈছোঁ, সেইসাহিত্যৰ যুগটো হ'ল 'ৰোমাণ্টিক ৰিভাইভেল' বা ৰোমাণ্টিকতাৰ পুনৰুত্থানৰ যুগ। কিন্তু শেহলৈ এই যুগটোহে 'ৰোমাণ্টিক যুগ' হিচাপে জনপ্ৰিয় হৈ উঠে।

Scanned with CamScanner

ইংৰাজী সাহিত্যৰ ইতিহাসৰ এলিজাবেথীয়, ৰোমাণ্টিক আৰু ভিক্টোৰীয় এই তিনিটা যুগৰ সাহিত্যই পৃথিৱীৰ প্ৰায় সকলোবোৰ বিকশিত ভাষাৰ সাহিত্যক ভাব, বিষয়, ৰূপ আৰু আবেদনৰ ক্ষেত্ৰত নতুন মাত্ৰা দান কৰিলে। কিন্তু, ৱৰ্ডছৱৰ্থ, কোলৰিজ, বায়ৰন, শ্যেলী, কীটছ্ প্ৰমুখ্যে যিসকলক শ্ৰেষ্ঠ ৰোমাণ্টিক কবি হিচাপে সমগ্ৰ বিশ্বই স্বীকাৰ কৰি আহিছে, সেইসকলে নিজকে 'ৰোমাণ্টিক' বুলি ভবাতো নাছিলেই, বৰং 'ৰোমাণ্টিক' শব্দটো শিল্প-সাহিত্যৰ ক্ষেত্ৰত সম্মান-সূচক শব্দ বুলিও ভবা নাছিল। কাৰণ, অষ্টাদশ শতিকাত এডিছন, গ্ৰে'ৰ দৰে লেখকে 'ৰোমাণ্টিক' শব্দটো মধ্যযুগীয় কোনো ধ্বংসপ্ৰাপ্ত প্ৰাসাদ বা মধ্যযুগীয় কোনো দৃশ্যক বুজাবলৈ ব্যৱহাৰ কৰিছিল। টম্পছনে 'দ্য ছিজনছ্'ত প্ৰাকৃতিক দৃশ্য আৰু তেনে ধৰণৰ বিষয়বোৰক 'ৰোমাণ্টিক' বুলি কৈছিল। ৱৰ্ডছৱৰ্থ, ছাউদে, কোলৰিজ্ প্ৰমুখ্যে কবিসকলে 'ৰোমাণ্টিক' শব্দটোৰ তেওঁবিলাকৰ লগত কোনো সম্পৰ্ক থাকিব পাৰে বুলি ভবাই নাছিল; আনকি ৱৰ্ডছৱৰ্থে শব্দটোৱে অসংযত, অমিতাচাৰ, অবাঞ্ছনীয় আদি অৰ্থ বহন কৰে বুলিয়েই ভাবিছিল।

ৰোমাণ্টিক শব্দটোৰ লগত প্ৰথমতে ইউৰোপৰ মধ্যযুগৰ 'ৰোমাঞ্চ' সমূহৰ সম্পৰ্ক আছিল। ইউৰোপৰ মধ্যযুগ বুলিলে সাধাৰণতে দশম শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে ধৰা হয়। এই যুগটো এংলো-নৰ্মান যুগৰ সাহিত্যৰ যুগ। এই যুগতেই দুঃসাহসিক বীৰত্বব্যঞ্জক কাহিনীৰ সৃষ্টি হয়। আদৰ্শনীয় বীৰৰ দুঃসাহসিক কাহিনীসমূহে মানুহৰ অন্তৰত আনন্দ, বিস্ময় আৰু শ্ৰদ্ধাৰ ভাব জগাই তুলিছিল। এতেকে 'ৰোমাঞ্চ' বুলি ক'লে এনে বিশেষত্ববোৰেই প্ৰধান হৈ উঠে; তাত সাধাৰণ মানুহৰ কাহিনী যিদৰে নাই, মহাকাব্য বা ধ্ৰুপদী সাহিত্যৰ গভীৰ শান্ত গাম্ভীৰ্যও নাই। ই একমাত্ৰ দুঃসাহসিক, বীৰত্বব্যঞ্জক, প্ৰেমমূলক, চমক সৃষ্টি কৰিব পৰা, উত্তেজনামূলক আৰু সাধাৰণ জীৱনৰ লগত সম্পৰ্ক নথকা কাল্পনিক আখ্যান। এই ৰোমাঞ্চ প্ৰথমতে অৰ্ধ-ঐতিহাসিক কাহিনীৰ ভিত্তিত গঢ় লৈ উঠিছিল। ট্ৰজান যুদ্ধ, গ্ৰীক বীৰসকলৰ বিশেষকৈ য়ুলিছিছৰ কাহিনী আদি আছিল প্ৰথম ধাৰাৰ ৰোমাঞ্চ; দ্বিতীয়টো ধাৰা আলেকজেণ্ডাৰৰ প্ৰাচ্য অভিযানৰ লগত যুক্ত; তৃতীয়টো ফ্ৰেন্সৰ চাৰ্লিবেগন আৰু চতুৰ্থটো ৰজা আৰ্থাৰ আৰু তেওঁৰ 'নাইট'সকলৰ অভিযানৰ লগত যুক্ত।

যদিও ৰোমাঞ্চ শব্দটোৰ পৰাই ৰোমাণ্টিক শব্দটোৰ উৎপত্তি হ'ল, মধ্যযুগীয় ৰোমাঞ্চৰ লগত ঊনবিংশ শতিকাৰ প্ৰথম দশকত বিকশিত ৰোমাণ্টিক সাহিত্যৰ লগত কোনো প্ৰকাৰৰ গুণগত বা ৰূপগত সম্পৰ্ক নাই।

আকৌ এই 'ৰোমাঞ্চ' শব্দটোও আহিল 'ৰোমানা' শব্দটোৰ পৰা। ৰোম দেশৰ ভাষাৰ পৰা অৰ্থাৎ লেটিনৰ পৰা অনূদিত কাহিনীক কোৱা হৈছিল ৰোমানা। ৰোমানৰ পৰা ৰোমাঞ্চ আৰু ৰোমাঞ্চৰ পৰা ৰোমাণ্টিক শব্দৰ উৎপত্তি হ'ল। যদিও ইংৰাজী

ভাষাত এলিজাবেথীয় যুগৰ সাহিত্যক ৰোমাণ্টিক বোলা হৈছিল আৰু ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ (১৭৯৮-১৮৩২) সাহিত্যক ৰোমাণ্টিক ৰিভাইভেল বা ৰোমাণ্টিক পুনৰুত্থান বোলা হৈছিল, শেহলৈ প্ৰথম স্তৰটো 'এলিজাবেথীয় যুগ' নামেৰে আৰু পিছৰটো 'ৰোমাণ্টিক যুগ' নামেৰে চিহ্নিত হ'ল। অৱশ্যেই এই দুয়োটা নাম পৰৱৰ্তী কালৰ সাহিত্যৰ ঐতিহাসিকসকলে দিয়া নাম। প্ৰশ্ন হ'ব পাৰে, প্ৰথমটো যুগকনো ৰোমাণ্টিক বুলি কিয় কোৱা হৈছিল? দবাচলতে চতুৰ্দশ শতিকাত ইটালীত যি নৱজাগৰণৰ বীজ অংকুৰিত হৈছিল পিছৰ শতিকাত সি মহীৰুহত পৰিণত হৈ সমগ্ৰ ইউৰোপকে সামৰি লৈছিল। ইংলেণ্ডত এই নৱজাগৰণে মধ্যযুগীয় সকলো বন্ধনৰ পৰা মানুহৰ মন মুক্ত কৰিলে। গ্ৰীক আৰু লেটিন ভাষাৰ নতুন অধ্যয়নে, ধৰ্মযাজকৰ বন্ধনৰ তথা অনুশাসনৰ কুসংস্কাৰৰ পতনে, দেশ জয়ৰ তথা আৱিষ্কাৰৰ আগ্ৰহে, নতুন বিষয় আৱিষ্কাৰৰ বাবে গঢ় লৈ উঠা বৈজ্ঞানিক দৃষ্টিভংগীয়ে, কোপাৰনিকাছৰ দৰে বিজ্ঞানীসকলৰ আৱিৰ্ভাৱে মধ্যযুগৰ ইতিহাসৰ সামৰণি ঘোষণা কৰিলে। মধ্যযুগীয় আবেষ্টনীৰ পৰা মুক্ত হৈ মানুহে এই যুগতে নতুন জীৱনী শক্তি আৰু নতুন জীৱন-দৃষ্টি লাভ কৰিলে। নৱজাগৰণৰ ফলত সাহিত্য, সংগীত, ভাস্কৰ্য, স্থাপত্য, চিত্ৰকলা সকলোতে জীৱনৰ নৱৰূপ ফুটি উঠিল। নৱজাগৰণৰ পিছৰ যুগটোৱেই এলিজাবেথীয় যুগ।

এই যুগে মানুহৰ মনত চিন্তা-ভাবনা আৰু কল্পনাৰ নতুন জগৎ সৃষ্টি কৰিলে। মুক্তিৰ আনন্দৰ আৰু কল্পনাৰ সমৃদ্ধিৰে আৰম্ভ হোৱা এলিজাবেথীয় যুগৰ মাজতে, ঊনবিংশ শতিকাৰ আদি ভাগত গঢ় লৈ উঠা সাহিত্যৰো মূল বীজ পোত খাই আছিল। কিন্তু সপ্তদশ আৰু অষ্টাদশ শতিকাত 'নৱজাগৰণ' আৰু এলিজাবেথীয় যুগৰ 'মুক্তি'ও পুনৰ অনুশাসনাধীন হ'বলৈ ধৰিলে। নব্যধ্ৰুপদী ধাৰাৰ প্ৰতি অনুৰক্তি বাঢ়িবলৈ ধৰিলে। এতেকে, এলিজাবেথীয় যুগত ৰোমাণ্টিক প্ৰৱাহ বাধাগ্ৰস্ত হ'ল।

কিন্তু এই সময়ছোৱাত ইউৰোপৰ সামাজিক আৰু বৌদ্ধিক জীৱনত এনে কিছু ঘটনা ঘটিবলৈ আৰম্ভ কৰিলে, যাৰ ফল হ'ল সুদূৰপ্ৰসাৰী। সাহিত্য-শিল্পত ঘটা পৰিৱৰ্তনৰ আঁৰত সদায় ডাঙৰ ভূমিকা গ্ৰহণ কৰে মানুহৰ জীৱন-দৃষ্টিৰ পৰিৱৰ্তনে। জীৱন-বোধ আৰু জীৱন-দৃষ্টিৰ পৰিৱৰ্তনে মানুহৰ চিন্তা, ভাবনা আৰু কৰ্মৰ পৰিৱৰ্তন সাধন কৰে; এতেকে, শিল্প-সাহিত্যকে ধৰি মানুহৰ সকলো কৰ্মৰ পটভূমি মানুহৰ সামাজিক আৰু বৌদ্ধিক জীৱনে ৰচনা কৰি দিয়ে। ৰোমাণ্টিক পুনৰুত্থানৰ ক্ষেত্ৰতো ইউৰোপৰ সামাজিক আৰু বৌদ্ধিক জীৱনত ঘটা পৰিৱৰ্তনসমূহে সৃষ্টি কৰা নতুন জীৱন-দৃষ্টিয়েই ঘাই ভূমিকা লৈছিল।

ৰোমাণ্টিক সাহিত্য বুলি যিটো ধাৰাৰ সাহিত্যক ঊনবিংশ শতিকাৰ সমালোচকসকলে চিহ্নিত কৰিলে, সেই ধাৰাৰ সাহিত্য গঢ় লৈ উঠাৰ পিছফালে থকা নতুন জীৱন-দৃষ্টিভংগী

গঢ় দিয়াত বৰঙনি যোগোৱা কাৰক প্ৰধানতঃ চাৰিটা— ইটালীৰ শিল্প বিপ্লৱ, ৰুছোৰ সামাজিক জীৱন-দৰ্শন, কাণ্ট-হেগেলৰ দৰ্শন আৰু ফৰাচী বিপ্লৱ। অৱশ্যে ফৰাচী বিপ্লৱৰ ক্ষেত্ৰতো ভল্টেয়াৰৰ সামাজিক ব্যংগাত্মক ৰচনাসমূহৰ অৱদানো স্মৰণীয়। ৰুছোৱে, ৰজা ঈশ্বৰৰ প্ৰতিনিধি বুলি চলি অহা সূত্ৰটোৰ সাৰশূন্যতা বিশ্লেষণ কৰি দেখুৱালে যে পৃথিৱীৰ বিভিন্ন ঠাইত দলবদ্ধ জীৱন যাপন কৰা আদিম মানুহে দলৰ ভিতৰৰ শক্তিশালী, কৰ্মদক্ষ একোজনক দলপতি পাতি লৈছিল আৰু দলপতিৰ এই বাবটো বংশানুক্ৰমিক হোৱাৰ প্ৰশ্নও নাছিল। পিছলৈ এই দলপতিৰ বাবটোৱেই ৰজাৰ পদৱীলৈ ৰূপান্তৰিত হৈছিল; আৰু এনে হোৱাৰ ফলত ৰজা ক্ৰমাৎ হৈ পৰিল সৰ্বেসৰ্বা। তেওঁৰ সহযোগী সকলো হৈ উঠিল ক্ষমতাশালী। নিজৰ ক্ষমতা অটুট ৰাখিবলৈ ৰজাক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপে প্ৰতিষ্ঠা দিয়া হ'ল। এতেকে ৰজা হোৱাৰ গুৰিতে আছিল এটা সামাজিক চুক্তি। সেই চুক্তি ভাঙি ৰজাক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপে প্ৰতিষ্ঠা কৰি শাসন আৰু শোষণৰ পথ মুকলি কৰা হ'ল।

ৰুছোৰ সামাজিক চুক্তি-সূত্ৰই ৰজা-সম্পৰ্কে থকা প্ৰচলিত ধাৰণাক কঠোৰ আৰু অপ্ৰতিৰোধ্য আঘাত হানিলে। ইয়াৰ ফলত চিন্তাৰ জগতত এক নতুন বৈপ্লৱিক আলোড়নৰ সৃষ্টি হ'ল।

জাৰ্মানীৰ কাণ্ট আৰু হেগেলৰ দৰে দাৰ্শনিকে জীৱন আৰু জগতৰ স্বৰূপ বিশ্লেষণ কৰি দেখুৱালে যে প্ৰতিগৰাকী ব্যক্তিয়েই একোটা স্বতন্ত্ৰ জীৱনৰ অধিকাৰী। কোনো কাৰো গৰাকী বা কোনো কাৰো দাস হৈ জন্ম লাভ কৰা নাই। প্ৰত্যেক মানুহেই অকলশৰীয়াকৈ জন্ম লাভ কৰিছে, জীয়াই আছে আৰু মৰিছে। মানুহৰ জন্ম-মৃত্যুৰ লগত কোনো সামূহিক বা সামাজিক জীৱনৰ সম্পৰ্ক নাই। মানুহ হিচাপে প্ৰতিজন মানুহেই সমান। এই দাৰ্শনিক বাখ্যাই মানুহৰ ব্যক্তি-স্বতন্ত্ৰতাৰ এটা সুদৃঢ় ভেঁটি বান্ধি দিলে। মানুহ যে স্বতন্ত্ৰ, নিসংগ আৰু কেৱল নিজৰ ওচৰত দায়বদ্ধ এই উপলব্ধিয়ে মানুহৰ মনোজগতত এটা নতুন মুক্তিৰ জাগৰণ ঘটালে।

ভল্টেয়াৰৰ দৰে ফৰাচী লেখকে সমাজত সকলো সুখ-সুবিধা ভোগ কৰি থকা ৰজা আৰু সামন্ত তথা বিষয়াসকলৰ জীৱনৰ অন্তঃসাৰশূন্যতা উদঙাই দি তেওঁলোকে লাভ কৰি অহা সামাজিক মৰ্যাদাত আঘাত হানিলে।

এই বৌদ্ধিক বিচাৰ-বিশ্লেষণে মানুহৰ মনৰ পৰম্পৰাগত ধাৰণা ভাঙি পোলোৱাত এক অভূতপূৰ্ব ভূমিকা গ্ৰহণ কৰিলে। এই সময়তে অষ্টাদশ শতিকাৰ ফ্ৰান্সত হোৱা বিপ্লৱে (১৭৮৯ খ্ৰীঃত) ৰাজতন্ত্ৰ আঁতৰাই প্ৰথম গণতন্ত্ৰৰ বাবে বাট কাটি দিলে। যদিও ই অত্যন্ত কম দিনৰ বাবেই আছিল তথাপি ইয়াৰ প্ৰভাৱ মানুহৰ মন, সভ্যতা আৰু সংস্কৃতিৰ ওপৰত গভীৰভাৱে পৰিল। ৰাজনৈতিক-সামাজিক জীৱনত ঘটা এই

Scanned with CamScanner

পৰিৱৰ্তনৰ আঁৰত পূৰ্বে কৈ অহা বৌদ্ধিক নেতৃত্বৰ ক্ৰিয়াই ঘটকৰ কাম কৰিছিল। ফৰাচী বিপ্লৱে সাধাৰণ মানুহৰ অন্তৰতো গণতান্ত্ৰিক ক্ষমতা আৰু ব্যক্তিৰ সমান মূল্যৰ সম্পৰ্কে এক চেতনাৰ উদয় কৰিলে; আৰু স্বাধীনতা, সাম্য, মৈত্ৰীৰ বাণী প্ৰতিষ্ঠিত হ'ল।

পৰম্পৰাগত চিন্তাৰ বন্ধনৰ পৰা মুক্তি, পৰম্পৰাগত সামাজিক বন্ধনৰ পৰা মুক্তি, নিজৰ ব্যক্তিগত স্বতন্ত্ৰতা-সম্পৰ্কে সজাগতা আৰু নিজৰ অধিকাৰ-সম্পৰ্কে সজাগতা-সৃষ্টিৰ এক নতুন বৌদ্ধিক অধ্যায় আৰম্ভ হ'ল অষ্টাদশ শতিকাৰ শেহৰ ফালে। লেখকসকলৰ চিন্তা, কল্পনা আৰু অনুভৱৰ জগততো এই মুক্তি আৰু অধিকাৰে স্থান লাভ কৰিলে। এক কথাত ব্যক্তিগত আৰু সমষ্টিগত জীৱনক নতুনকৈ চাবৰ বাবে লাভ কৰা নতুন জীৱন-দৃষ্টিভংগীয়ে লেখকসকলক ভাব, বিষয়, কল্পনা, অনুভৱ আৰু প্ৰকাশ-ৰীতিৰ স্বাধীনতা ল'বৰ বাবে প্ৰেৰণা যোগালে। এতিয়া ঈশ্বৰ, ৰজা সামন্ত, বীৰ পুৰুষসকলৰ ঠাইত সাহিত্যত ঠাই পালে মানৱীয় ভাব, অনুভৱ, কল্পনাৰে, সাধাৰণ মানুহে আৰু প্ৰকৃতিয়ে।

ধ্ৰুপদী সাহিত্যৰ মহৎ আদৰ্শৰ ঠাইত মানৱীয় সুখ-দুখ, ধ্ৰুপদী সাহিত্যৰ উল্লিখিত বিষয় আৰু চৰিত্ৰৰ ঠাইত সাধাৰণ মানুহ আৰু প্ৰকৃতি আৰু ধ্ৰুপদী সাহিত্যৰ আৱেগ-অনুৰাগ প্ৰকাশৰ প্ৰথাবদ্ধ ৰীতিৰ ঠাইত ব্যক্তিগত স্বতন্ত্ৰ ৰীতিৰ প্ৰতিষ্ঠাৰ দ্বাৰা সাহিত্যৰ ভাব, বিষয় আৰু ৰীতিত এই পৰিৱৰ্তন সূচিত হ'ল। এক প্ৰকাৰ ক'বলৈ গ'লে ধ্ৰুপদী সাহিত্য আৰু নব্য ধ্ৰুপদী সাহিত্যৰ বন্ধনৰ পৰা মুক্ত হৈ সাহিত্যয়ো স্বতন্ত্ৰতা আৰু গণতান্ত্ৰিক অধিকাৰ লাভ কৰিলে। মানুহৰ ভাব, অনুভৱ, কল্পনাই মুক্তি লাভ কৰিলে। এই মুক্তিৰ গুণগত আৰু ৰূপগত বিশেষত্বৰ ভিত্তিত সাহিত্যৰ এই আন্দোলনটোৰ পৰিচয় বিভিন্নজনে বিভিন্ন প্ৰকাৰে দিবলৈ যত্ন কৰিলে। ফলত ৰোমাণ্টিকতাবাদৰ অনেক সংজ্ঞাৰ সৃষ্টি হ'ল। এই সংজ্ঞাসমূহৰ কোনোটোৱে ৰোমাণ্টিক সাহিত্যৰ ভাবৰ পৰিচয়, অৰ্থাৎ বৌদ্ধিক উপাদানৰ পৰিচয়, কোনোটোৱে বিষয়ৰ শ্ৰেণী বিভাজন কৰি বিষয়ৰ পৰিচয়, কোনোটোৱে প্ৰকাশ-ৰীতিৰ পৰিচয়, কোনোটোৱে ইয়াৰ আৱেদনৰ পৰিচয় দাঙি ধৰিছে। মুঠতে এই সাহিত্য-আন্দোলনটোৰ ইমানবিলাক সংজ্ঞাৰ সৃষ্টি হ'ল যে 'লাভজয়' নামৰ এজন মাৰ্কিন সমালোচকে কৈছে যে 'ৰোমাণ্টিক শব্দটোৱে ইমানবোৰ বস্তুক বুজাবলৈ লৈছে যে ই একো বস্তুকে নুবুজায়'।

সি যি হওক, আমি তাৰে কেইটামান সংজ্ঞা বিচাৰ কৰি চাওঁ। ৱাল্টাৰ পেটাৰে তেওঁৰ 'পোষ্টস্ক্ৰিপ্ট' নামৰ ৰচনাখনত ক'লে, "কলা বা শিল্পক ৰোমাণ্টিক চৰিত্ৰ দান কৰে কোনো বিষয়ৰ সৌন্দৰ্যৰ লগত কৰা নতুন অচিনাকী ৰূপৰ সংযোগে" (It is the addition of strangeness to beauty that constitutes the

romantic character in art) ইংৰাজী সাহিত্যৰ উদাহৰণৰ সলনি অসমীয়া কবিৰ বা কাহিনী-লেখকৰ ৰচনাৰ পৰাই অলেখ উদাহৰণ এই প্ৰসংগত বাছি ল'ব পাৰি। চন্দ্ৰকুমাৰ আগৰৱালাই অৰণ্যৰ খণ্ড খণ্ড ছবি আৰু ধ্যানিৰে 'পুনৰ্ম্বৰী'ক তেনে সৌন্দৰ্যৰেই সজাই তুলিছে; বা ৰেজবৰুৱাই সমগ্ৰ প্ৰকৃতিৰ সৌন্দৰ্য এটি হৰিণা পোৱালিত আৰোপ কৰি কৈছে 'বনৰ সৌন্দৰ্য ৰূপ যদি আছি দেও দি দুগৰি খায়'।

আন এগৰাকী সমালোচক এবাৰক্ৰম্বিয়ে তেওঁৰ 'ৰোমাণ্টিটিজিম' নামৰ গ্ৰন্থখনিত কৈছে, "কোনো বিষয়ৰ বাহিৰৰ অভিজ্ঞতাৰ পৰা মনক নি মানসিক অভিজ্ঞতাত নিবদ্ধ কৰাটোৱেই ৰোমাণ্টিকতাবাদ"। অৰ্থাৎ, ইন্দ্ৰিয়জ জগতে মনত সৃষ্টি কৰা ভাবনা, অনুভৱ, কল্পনাৰ ই বহিৰ্প্ৰকাশ। ক'বলৈ হ'লে ইন্দ্ৰিয়জ জগতৰ অভিজ্ঞতাতে মনটো আবদ্ধ হৈ নাথাকি ই নিজৰ মাজত সৃষ্টি কৰা কল্পনাৰ ৰূপটোক ভিত্তি কৰে; ফলত, পৰিচিত বিষয় এটাও নতুন ৰূপত ধৰা দিয়ে। অৰ্থাৎ, বাস্তৱৰ পৰা আঁতৰি কল্পনাৰ আশ্ৰয়ত বিষয়ক নতুন ৰূপত দাঙি ধৰা হয়। এই নতুন ৰূপ লেখকৰ ব্যক্তিগত ভাবনা, অনুভৱ আৰু কল্পনাৰ বাহক আৰু ধাৰক হৈ উঠে। অৰ্থাৎ নিৰ্বিশেষ বিষয় এটাও লেখকৰ কল্পনাৰে সৃষ্টি কৰা সংৱেদনশীলতাৰে অনন্যসাধাৰণ হৈ উঠে। টি.এইচ. হাৰ্ফৰ্ডে তেওঁৰ 'দি এ'জ অব ৱৰ্ডছৱৰ্থ' নামৰ গ্ৰন্থত ৰোমাণ্টিকতাবাদৰ সংজ্ঞা দিবলৈ গৈ কৈছে, "ৰোমাণ্টিকতাবাদ হ'ল কাল্পনিক সংৱেদনশীলতাৰ অসামান্য বিকাশ" (Romanticism is the extraordinary development of imaginative sensitility)। থিয়োডৰ ৱাটছ ডাল্টনে ৰোমাণ্টিকতাবাদৰ পৰিচয় দিবলৈ গৈ কৈছে, "ৰোমাণ্টিকতাবাদ হ'ল বিস্ময়ৰ পুনৰ্জাগৰণ" (Renaissance of wonder)। জীৱন আৰু জগতৰ অসীম সৌন্দৰ্য আৰু ৰহস্যক বিস্ময়-বিমুগ্ধ দৃষ্টিৰে চোৱাৰ মাজত কল্পনা-প্ৰতিভাৰ অসামান্যতাও প্ৰকাশিত হৈছে। নগণ্যতম বস্তুৰ মাজতো মহত্তম সৌন্দৰ্যৰ সন্ধান পাইছে ৰোমাণ্টিক লেখকসকলে। এটা সৰু বনৰীয়া ফুল, উৰি যোৱা সৰু চৰাই এটা, গুণগুণাই উৰি ফুৰা মৌ মাখি এটা, সৰি পৰা ফুল এপাহ, গছকত শুই যোৱা দুবৰি বন এডাল, আকাশৰ মেঘ এচপৰা, পাহাৰীয়া দাৱনী এজনী, ধূলিকণা এটি— এইবোৰ বিষয় ইয়াৰ আগৰ সাহিত্যত কেতিয়াও প্ৰধান বিষয় বা চৰিত্ৰ হৈ উঠাৰ প্ৰশ্নই নাছিল। ৰোমাণ্টিকতাবাদে যেন বিশ্বৰ এনে সকলোবোৰ বিষয় ঢাকি থোৱা আঁৰ কাপোৰখন গুচাই দিলে। কবিয়ে নিজৰ অনুভূতি আৰু কল্পনাৰ ৰঙেৰে বোলাই তাক নতুন ৰূপত আৱিষ্কাৰ কৰিলে। 'কবিয়ে প্ৰকৃতি জগতৰ প্ৰতিটো বিষয়ৰ মাজত মানৱীয় ভাব-অনুভূতি আৰোপ কৰিলে আৰু প্ৰত্যক্ষ কৰিলে। প্ৰকৃতিৰ সৌন্দৰ্য আনি আৰোপ কৰিলে মানুহৰ ওপৰত। ৰোমাণ্টিকতাবাদৰ মাজত মানৱিকবাদে এটা সীমাহীন ব্যাপ্তি লাভ কৰিলে। ঈশ্বৰৰ মহত্ব, দেৱত্বৰ মহত্ত্ব, ৰজা-সামন্ত-অমাত্য-বীৰ আদিৰ গুৰুত্বৰ ঠাইত নিৰ্বিশেষ মানুহ

আৰু মানুহৰ হৃদয়ৰ সুখ-দুখ, আশা-আকাংক্ষা, প্ৰেম-বিৰহ, আনন্দ-বেদনাই লাভ কৰিলে মহত্ত্ব আৰু গুৰুত্ব। ধ্ৰুপদী সাহিত্যৰ সকলো বান্ধোন ছিগি গ'ল, নব্য ধ্ৰুৱবাদৰ সকলো প্ৰয়াস অথলে গ'ল। ভিক্টৰ হিউগোৱে ৰোমাণ্টিকতাবাদক "সাহিত্যত উদাৰতাবাদ" (Liberalism in Literature) বুলি কৰা মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। যথাৰ্থতে সাহিত্যত সকলো মানৱীয় ভাব, অনুভূতি আৰু কল্পনাই আৰু জীৱন আৰু জগতৰ সকলো বিষয়ে স্থান লাভ কৰিবলৈ সক্ষম হ'ল।

হাৰ্ফৰ্ডে ৰোমাণ্টিকতাবাদৰ বিষয়ে কৰা আলোচনাত "ব্যক্তিৰ স্বতন্ত্ৰ ব্যক্তিত্ব (অহং)ৰ বন্ধন-মুক্তি" (Emancipation of ego) বুলি কৰা মন্তব্যটিও উল্লেখনীয়। "মুঠতে ক'বলৈ গ'লে ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতিপ্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাব, বাস্তৱ-বিমুখিতা, অতীতৰ প্ৰতি শ্ৰদ্ধা, ভৱিষ্যতৰ ৰঙীণ কল্পনা, কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্যৰ পূজা, জাগতিক সৌন্দৰ্যৰ প্ৰতি বিস্ময়-বিমূঢ় দৃষ্টি, প্ৰিয়াৰ ৰূপ-আৰাধনা আৰু বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন, অতীন্দ্ৰিয়বাদ, সুদূৰৰ আকৰ্ষণ, জীৱন-ৰহস্যভেদৰ বৌদ্ধিক প্ৰচেষ্টা— এইবোৰ ৰোমাণ্টিক সাহিত্যৰ প্ৰধান লক্ষণ" (সত্যেন্দ্ৰনাথ শৰ্মা)। দেশ-প্ৰীতি, আদৰ্শ-প্ৰীতি, জাতীয়তা-প্ৰীতিৰ লক্ষণো ৰোমাণ্টিক সাহিত্যৰ ভিতৰুৱা।

'ৰোমাণ্টিক' শব্দটো উনবিংশ শতিকাৰ আগলৈকে মধ্যযুগীয় ৰোমাঞ্চৰ লক্ষণৰ লগত সম্পৰ্ক ৰাখি বিচাৰ কৰা হৈছিল। আমি এই ইংগিত পাই আহিছোঁ যে ৰোমাঞ্চ বিলাকো বাস্তৱৰ পৰা ঊৰ্ধৰ, বীৰত্বব্যঞ্জক, বিস্ময়জনক কাল্পনিক কাহিনী। উনবিংশ শতিকাত যি ৰোমাণ্টিকতাবাদ গঢ় লৈ উঠিল, ইয়াতো কল্পনা আছে, ইও বাস্তৱ-বিমুখ। কিন্তু ইয়াৰ প্ৰকৃতি ৰোমাঞ্চধৰ্মী নহয়, বহিৰ্মুখীও নহয় আৰু বীৰত্বব্যঞ্জকো নহয়; বৰং ইয়াৰ প্ৰকৃতি মানৱীয় হৃদয়-ধৰ্মী, অন্তৰ্মুখী আৰু সেইবাবে কিছু পৰিমাণে বিষাদযুক্তও। ৰোমাণ্টিকতাবাদৰ কল্পনাও কবিৰ স্বপ্ন-সদৃশ কল্পনা। এনে কল্পনাক ৰোমাঞ্চৰ কল্পনাৰ লগত তুলনা কৰিব নোৱাৰি আধুনিক ইংৰাজীত 'ৰোমাণ্টিক' শব্দটো ব্যৱহাৰ কৰোঁতে (১) সাধাৰণতে বিপৰীতে কল্পনাশ্ৰয়ী, প্ৰাত্যহিক বাস্তৱতাৰ পৰা দূৰত, নিৰাধাৰ আকাংক্ষা-সূচক অৰ্থত; (২) সম্ভাব্যৰ বিপৰীতে অসম্ভৱ কল্পনা, উদ্ভট কল্পনা আদি অৰ্থত; (৩) আক্ষৰিক অৰ্থৰ বিপৰীতে ৰহস্যময় প্ৰতীকী, অদৃশ্য বিষয়ৰ অৰ্থত; আৰু (৪) সংযত নীতিনিষ্ঠতাৰ বিপৰীতে চিত্ৰময়, বৰ্ণময়, আৱেগ-প্ৰধান আৰু অনিয়ন্ত্ৰিত সৌন্দৰ্যৰ অৰ্থত ব্যৱহৃত হোৱা দেখা যায়।

উল্লিখিত অনেক বিশেষত্ব থাকিলেও মনত ৰাখিব লাগিব যে ৰোমাণ্টিকতাবাদ হ'ল উনবিংশ শতিকাৰ সাহিত্যত হোৱা এটা আন্দোলন, যিটো আন্দোলনে ধ্ৰুপদী সাহিত্যৰ অনুশাসন ভাঙি মনৰ ভাৱাবেগ আৰু কল্পনাক মুক্ত প্ৰকাশৰ সুযোগ দিলে।

Scanned with CamScanner

ৰোমাণ্টিকতাবাদৰ এই চৰিত্ৰ ধ্ৰুৱবাদীসকলে গ্ৰহণ কৰিব পৰা নাছিল। ধ্ৰুৱবাদত যুক্তি, পাৰিপাট্য, সুষমতা, ভাব-বিষয়-ৰীতি-আদৰ্শৰ সমলয় আৰু সংযমে প্ৰাধান্য লাভ কৰে। মাৰ্জিত, সম্ভ্ৰান্ত, যান্ত্ৰিকভাৱে নিয়ম-নিষ্ঠ, নৈতিক সত্য আৰু পৰম্পৰাত আস্থা থকা, দাৰ্শনিক মতবাদ বা চিন্তাৰ আদৰ্শত বিশ্বাসী, বস্তুনিষ্ঠ, সামাজিক মন আৰু সামাজিক স্বাৰ্থৰ প্ৰতি সচেতনভাৱে দায়বদ্ধ আৰু যুক্তিনিষ্ঠ জীৱনাদৰ্শ হ'ল ধ্ৰুৱবাদৰ আধাৰ। নিৰ্বিশেষ সাৰ্বজনীন মানৱ প্ৰকৃতিৰ চিত্ৰণত ধ্ৰুৱবাদে গুৰুত্ব দি আহিছে। তদুপৰি ধ্ৰুৱবাদে এনে চিত্ৰণ বিশ্বাসযোগ্য ৰূপত প্ৰথাসম্মত অলংকাৰপূৰ্ণ ৰীতিৰে হোৱাত প্ৰধান্য দান কৰে। এতেকে, ধ্ৰুৱবাদত প্ৰাচীন সাহিত্যৰ (ইউৰোপত গ্ৰীক আৰু ৰোমান সাহিত্যৰ আৰু ভাৰতবৰ্ষত ভাৰতীয় আলংকাৰিকসকলে নিৰ্দেশ কৰা প্ৰথাৰে ৰচিত সাহিত্য) পৰম্পৰাগত ৰক্ষণশীলতাৰ নিয়ন্ত্ৰক-শক্তিত পৰিণত হৈ আহিছিল। অনুশাসনহীনতাক জীৱনতেই হওক বা সাহিত্যতে হওক ধ্ৰুৱবাদীসকলে সদায় পৰিত্যাগ কৰি আহিছিল। অনুশাসন নাথাকিলে জীৱন যিদৰে স্বেচ্ছাচাৰী হ'ব পাৰে, সাহিত্যও তেনেভাৱে স্বেচ্ছাচাৰী আৰু সেইবাবে সমাজ-জীৱনৰ বাবে ক্ষতিকাৰক হৈ উঠিব পাৰে। সামাজিক শৃংখলা নমনা ব্যক্তিমনে সমাজক যিদৰে অবাঞ্ছনীয় পথেৰে নিব পাৰে, ভাব, আদৰ্শ, ৰচনা-ৰীতিৰ অনুশাসন নমনা সাহিত্যয়ো সাহিত্যৰ লক্ষ্যক পথভ্ৰষ্ট কৰিব পাৰে। সেইবাবে, জাৰ্মান কবি গ্যেটেই কৈছিল, "ধ্ৰুৱবাদ হ'ল স্বাস্থ্য আৰু ৰোমাণ্টিকতাবাদ হ'ল অসুখ" (Romanticism is desease, classicism is helth)। কিন্তু সাহিত্য-শিল্পত ন্যূনাধিক ৰোমাণ্টিকতাৰ স্পৰ্শ থাকিবই।

অৱশ্যেই অতি ৰক্ষণশীলসকলৰ বাহিৰে ধ্ৰুৱবাদ আৰু ৰমন্যাসবাদক পানী নসৰকা বিভাজনেৰে কোনেও বিভাজন নকৰে। দৰাচলতে ধ্ৰুৱবাদ যিদৰে এটা জীৱন-দৃষ্টিভংগী আৰু শিল্প-দৃষ্টিভংগীৰ দ্বাৰা নিয়ন্ত্ৰিত, ৰমন্যাসবাদো তেনেকৈ পৰিৱৰ্তিত সময়ত গঢ় লোৱা এটা জীৱন-দৃষ্টিভংগী আৰু শিল্প-দৃষ্টিভংগীৰ দ্বাৰা নিয়ন্ত্ৰিত।

যদিও ৱৰ্ডছৱৰ্থৰ 'লিৰিকেল বেলাডছ'ৰ প্ৰকাশৰ বছৰ ১৭৯৮ খ্ৰীষ্টাব্দক অনেকেই ৰোমাণ্টিক আন্দোলনৰ আৰম্ভণিৰ বছৰ বুলি ক'ব খোজে, এনে বক্তব্যক অতি সৰলীকৃত বক্তব্য বুলিব পাৰি। কাৰণ 'লিৰিকেল বেলাডছ' প্ৰকাশিত হোৱাৰ দিনাই ৰোমাণ্টিকতাবাদী আন্দোলন আৰম্ভ হোৱা নাই। বৰং তাৰ বহু আগৰে পৰা, পূৰ্বে উল্লেখ কৰি অহা সামাজিক ঐতিহাসিক কাৰণসমূহে আৰু ন-কৈ গঢ় লোৱা নতুন বৌদ্ধিক পটভূমি তথা জীৱন-দৃষ্টিভংগীয়ে 'লিৰিকেল বেলাডছ'ৰ দৰে ৰচনাৰ সৃষ্টি সম্ভৱপৰ কৰি তুলিছিল। ৰোমাণ্টিক আন্দোলনটোৰ সামৰণিৰ চনটো ধৰা হয় ১৮৩০-৩২ খ্ৰীঃ বুলি। ১৮৩০-৩২ খ্ৰীঃ পৰা ১৯০০ খ্ৰীঃ লৈকে ভিক্টোৰীয় যুগ বুলি ধৰা হয়। অৱশ্যে ভিক্টোৰিয়া ৰাজপাটত বহে ১৮৩৭ তহে। কিন্তু, সাহিত্য-শিল্পৰ ইতিহাস কোনো এটা তাৰিখত

হঠাৎ বন্ধ হৈ নাযায়। তাৰ পিছতো বহুদিনলৈ তাৰ ৰেশ থাকি যায়। কেৱল আলোচনাৰ সুবিধাৰ বাবে একো একোটা সামাজিক, ৰাজনৈতিক, বৌদ্ধিক ঘটনাক ভিত্তি কৰি সময় নিৰ্ধাৰণ কৰি লোৱা হয়। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ ক্ষেত্ৰতো দেখা যায় ভিক্টোৰীয় যুগত পৰা কবি ছুইনবাৰ্ন পৰ্যন্ত ৰোমাণ্টিক কবিতাৰ ধাৰা প্ৰবাহিত হৈ আছিল। কল্পনাশ্ৰয়ী এই সাহিত্য-ধাৰা লাহে লাহে স্তিমিত হ'বলৈ ধৰে বিংশ শতিকাৰ আগৰ পৰা। অসমীয়া সাহিত্যত 'জোনাকী'ৰ জন্মৰ (১৮৮৯) খ্ৰীষ্টাব্দৰ পৰা দ্বিতীয় মহাযুদ্ধৰ সময়লৈকে (১৯৩৯) এই সময়ছোৱাক নৱন্যাস, ৰমন্যাস বা ৰোমাণ্টিক যুগ বুলি ধৰা হয়। অৱশ্যেই অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ প্ৰস্তুতি পৰ্ব উনবিংশ শতিকাৰ মাজভাগৰ পৰাই ধীৰে ধীৰে আৰম্ভ হৈছিল, আৰু সামৰণিও দ্বিতীয় মহাযুদ্ধৰ অন্ত পৰাৰ পৰা বহুদিনলৈ ক্ষীণভাৱে হ'লেও চলি আছিল। ❑

**খোৰতে ঃ**

১. অসমীয়া ভাষাত ৰোমাণ্টিক শব্দটোৰ প্ৰথম পৰিভাষা আছিল 'নৱন্যাস'; ১৯৭৬ চনত ড° মহেন্দ্ৰ বৰাই 'ৰমন্যাস' শব্দটো নিৰ্মাণ কৰি উলিয়ায়।

২. ইংৰাজী সাহিত্যৰ আঠোটা যুগৰ ভিতৰত এলিজাবেথীয়, ৰোমাণ্টিক আৰু ভিক্টোৰীয় এই তিনিটা গুৰুত্বপূৰ্ণ যুগ।

৩. ৰোমাণ্টিক শব্দটো, ৰোম দেশৰ পৰা অহা সাহিত্য এই অৰ্থত 'ৰোমানা', আৰু বীৰত্বব্যঞ্জক আৰু বিস্ময়কৰ সাহিত্যৰ প্ৰকৃতিলৈ চাই দিয়া নাম 'ৰোমান্স' এনেভাৱে পৰিবৰ্তনৰ মাজেদি আহি ৰূপ লৈছেহি।

৪. এলিজাবেথীয় যুগটোক (১৫৫০-১৬২৫) প্ৰথমতে ৰোমাণ্টিক বুলি কৈ পিছৰ ১৭৯৮-১৮৩২ লৈকে এই যুগটোক ৰোমাণ্টিক ৰিভাইভেল বুলি কোৱা হৈছিল। পিছত এই পিছৰ যুগটো ৰোমাণ্টিক যুগ হিচাপে চিহ্নিত হ'ল।

৫. ৰোমাণ্টিক আন্দোলনটো গঢ় লৈ উঠাৰ পিছফালে ইংলেণ্ডৰ শিল্প বিপ্লৱ, ৰুছোৰ 'সামাজিক-চুক্তি সূত্ৰ', কাণ্ট-হেগেল আদি দাৰ্শনিকৰ দৰ্শন, ভল্টেয়াৰৰ দৰে লেখকৰ সাহিত্য আৰু ফৰাচী বিপ্লৱ এই আটাইবিলাকে সৃষ্টি কৰা সামাজিক আৰু বৌদ্ধিক পটভূমিৰ ৰৰঙনিৰ কথা স্মৰণীয়।

৬. ৱৰ্ডছৱৰ্থ প্ৰমুখ্যে কবিসকলে তেওঁবিলাকক 'ৰোমাণ্টিক' আখ্যা দিয়াটো ভালপোৱা

নাছিল। পিছলৈ অৱশ্যে শব্দটো সম্মান-সূচক হৈ পৰে।

৭. ব্যক্তি স্বতন্ত্ৰতা, উদাৰ মানসিকতা, সীমাহীন কল্পনা, নগণ্যতম বিষয়তো অপূৰ্ব সৌন্দৰ্যৰ সন্ধান, প্ৰকৃতিত মানৱীয় ভাবানুভূতি আৰোপ আৰু মানুহৰ গাত প্ৰকৃতিৰ সৌন্দৰ্য আৰোপ, পৰম্পৰাগত ভাবনাৰ পৰা আৰু প্ৰথাবদ্ধ নীতি-নিষ্ঠাৰ বন্ধনৰ পৰা মুক্ত হৈ সাহিত্যৰ ভাব, বিষয়, আৱেগ আৰু ৰীতিক স্বতন্ত্ৰভাৱে ৰূপ দিয়াৰ ফলত ধ্ৰুপদী সাহিত্যৰ বান্ধোনৰ পৰা ৰোমাণ্টিক সাহিত্য মুক্ত হয়।

৮. ৰোমাণ্টিকতাবাদ উদাৰ মানৱীয় ব্যক্তিনিষ্ঠ ভাবাদৰ্শৰ ভেঁটিত গঢ় লৈ উঠা এটা জীৱন-দৃষ্টিভংগীৰ দ্বাৰা অনুপ্ৰাণিত।

৯. ধ্ৰুপদী সাহিত্যৰ বস্তুনিষ্ঠতা, নীতিনিষ্ঠতা, সংযম, ভাবাদৰ্শৰ লগত ৰমন্যাসিক সাহিত্যৰ প্ৰকৃতিগত পৃথকতা আছে।

১০. ৰোমাণ্টিকতাবাদৰ সংজ্ঞাসমূহৰ প্ৰতিটোৱেই একোটা লক্ষণ নিৰ্দেশ কৰিছে যদিও সামগ্ৰিক পৰিচয় দিয়া বুলি ক'ব নোৱাৰি।

১১. ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা কল্পনাশ্ৰয়ী এই সাহিত্যধাৰা স্তিমিত হ'বলৈ ধৰে।

Scanned with CamScanner